# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 07-06-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

--------------------

১। ৰাজ্যৰ সাম্প্ৰতিক বান পৰিস্থিতি সামান্য উন্নত। বন্যাৰ্তই শীঘ্ৰেই পুনৰ সংস্থাপনৰ বাবে অনুদান লাভ কৰিব বুলি মুখ্যমন্ত্ৰীৰ ঘোষণা।

২। ক'ভিড-১৯ এ সৃষ্টি কৰা ভাইৰাছ ছাৰ্চ-ক'ভি-টুৰ উপস্থিতি জুখিব পৰা নতুন পদ্ধতি উদ্ভাৱন আই আই টি গুৱাহাটীৰ।

৩। দেশৰ বিভিন্ন প্ৰান্তৰ লগতে অসমতো আজি ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ পবিত্ৰ ঈদ-উজ্-জোহা পালন।

৪। পুনৰ অহা ১০ অক্টোবৰত ৰাজ্য চৰকাৰৰ বৃহৎ নিযুক্তি সমাবেশ।

*আৰু*

৫। ফ্ৰেন্স অ'পেন টেনিছ প্ৰতিযোগিতাত আজি মহিলা শাখাত আৰিনা ছাবালেংকা কোকো গ'ফৰ মুখামুখি।

০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি বৰাক উপত্যকা ভ্ৰমণ কৰি বান পৰিস্থিতিৰ বুজ লয়। তেওঁ হাইলাকান্দি জিলাৰ কালীনগৰ, পাঁচগ্ৰামকে ধৰি কেইবাটাও আশ্ৰয় শিবিৰ পৰিদৰ্শন কৰি বানপীড়িত লোকসকলৰ সৈতে মত বিনিময় কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কালি শ্ৰীভূমি জিলা আয়ুক্ত কাৰ্যালয়ৰ এখন সংবাদমেল সম্বোধন কৰি বন্যাৰ্তই শীঘ্ৰেই পুনৰ সংস্থাপনৰ বাবে অনুদান লাভ কৰিব বুলি জানিবলৈ দিয়ে। তেওঁ লগতে তাৎক্ষণিকভাৱে সাহায্য বিতৰণত সহায় হোৱাকৈ বানত ক্ষতিগ্ৰস্ত লোকসকলক তেওঁলোকৰ বেংকৰ সবিশেষ আৰু আন প্ৰয়োজনীয় তথ্যসমূহ প্ৰেৰণ কৰিবলৈ আহ্বান জনায়। ড° শৰ্মাই এই সময়ছোৱাত হ'ব পৰা বিভিন্ন স্বাস্থ্য সম্পৰ্কীয় সমস্যাৰ আগতীয়া সাৱধানতা হিচাপে আশ্ৰয় শিবিৰত চিকিৎসা প্ৰদানকাৰী দলৰ ব্যৱস্থা কৰাৰ উপৰি অন্যান্য যাৱতীয় সুবিধাসমূহ প্ৰদান কৰাটো নিশ্চিত কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে শ্ৰীভূমি জিলাতো আশ্ৰয় শিবিৰ পৰিদৰ্শন কৰি বন্যাৰ্তসকলৰ সমস্যাৰ বুজ লয়। মুখ্যমন্ত্ৰীৰ ভ্ৰমণকালত জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকা, খাদ্য আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী কৌশিক ৰয়, মীন মন্ত্ৰী কৃষ্ণেন্দু পাল, সাংসদ কৃপানাথ মাল্লাকে ধৰি কেইবাগৰাকীও বিধায়ক উপস্থিত থাকে।

ৰাজ্যৰ সাম্প্ৰতিক বান পৰিস্থিতি সামান্য উন্নত হৈছে যদিও ১৮ খন জিলাৰ ৪ লাখ ৪০ হাজাৰৰো অধিক লোক এতিয়াও বানৰ কবলত আছে। বিগত ২৪ ঘণ্টাত বানত কোনো লোকে প্ৰাণ হেৰুওৱা নাই বুলি আমাৰ সংবাদদাতাই প্ৰকাশ কৰিছে। এই বানত ৰাজ্যখনৰ এহেজাৰ ৩০০ ৰো অধিক গাঁও ক্ষতিগ্ৰস্ত হৈছে আৰু প্ৰায় এহেজাৰ ৬০০ হেক্টৰ কৃষিভূমিৰ ক্ষতি হৈছে। ৰাজ্য চৰকাৰে প্লাৱিত অঞ্চলসমূহত উদ্ধাৰ অভিযানৰ বাবে ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনীক নিয়োজিত কৰিছে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ তথ্য অনুসৰি এতিয়াও ৪০

হাজাৰতকৈ অধিক লোকে ১৫৬ টা আশ্ৰয় শিবিৰত আশ্ৰয় লৈ আছে। ৰাজ্যখনৰ বিভিন্ন অংশত পথ, ৰে'ল আৰু ফেৰী সেৱা ব্যাহত হৈ আছে। ইপিনে ভাৰতীয় বতৰ বিজ্ঞান বিভাগে ৰাজ্যখনৰ কাচাৰ, হাইলাকান্দি, শিৱসাগৰ, তিনিচুকীয়া, ডিব্ৰুগড় আৰু চৰাইদেউ জিলাত পাতলীয়াৰ পৰা মজলীয়া ধৰণৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি আগলী বতৰা দিছে।

ইপিনে ব্ৰহ্মপুত্ৰ আৰু কপিলী নৈৰ বাঢ়নি পানীয়ে পবিতৰা অভয়াৰণ্যৰ ৭০ শতাংশ বনাঞ্চলৰ বুৰাই পেলাইছে। অভয়াৰণ্যখনৰ টুপলুং হাঁহচৰা, পাগলাডুবা, হাদুক, শিলডুবিকে ধৰি কেইবাটাও বন শিবিৰ বানৰ কবলত পৰিছে। বন বিভাগ আৰু অন্যান্য সংস্থাই বন্য প্ৰাণীসমূহৰ খাদ্যৰ অভাৱ নহ'বৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰাৰ উপৰি চোৰাং চিকাৰীয়ে যাতে এই সময়ত সুযোগ লব নোৱাৰে তাৰ বাবেও চোকা দৃষ্টি ৰাখিছে।

০০০০০০

ভাৰতীয় প্ৰযুক্তি বিদ্যা প্ৰতিষ্ঠান গুৱাহাটীৰ এটা গৱেষক দলে কোভিড-১৯ এ সৃষ্টি কৰা ভাইৰাছ ছাৰ্চ-ক'ভি-টুৰ উপস্থিতি আৰু পৰিমাণ জুখিব পৰা এটা নতুন পদ্ধতি উদ্ভাৱন কৰিছে।

আই আই টি, গুৱাহাটীৰ গৱেষক ড০ হিংমাশু যাদব আৰু দীপা মেহতাৰ সৈতে ছিভিল ইঞ্জিনীয়াৰিং বিভাগৰ অধ্যাপক টি ভি ভাৰত আৰু জৈৱ বিজ্ঞান তথা জৈব ইঞ্জিনীয়াৰিং বিভাগৰ অধ্যাপক শচীন কুমাৰে এই পদ্ধতি উদ্ভাৱন কৰিছে।

এই পদ্ধতিৰ জৰিয়তে কোভিডৰ ভাইৰাছ অতি সহজ আৰু সুলভ প্ৰক্ৰিয়াৰে ধৰা পেলাব পৰা যাব। বৰ্তমান ব্যৱহৃত জটিল আৰু ব্যায়বহুল পদ্ধতিসমূহৰ তুলনাত এই পদ্ধতি কম ব্যায়সাধ্য হ'ব বুলি আশা কৰা হৈছে।

০০০০০০

দেশৰ বিভিন্ন প্ৰান্তৰ লগতে অসমতো আজি ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ পবিত্ৰ ঈদ-উজ্-জোহা পালন কৰা হৈছে। আল্লাহৰ নিৰ্দেশত হজৰত ইব্ৰাহিমে তেওঁৰ একমাত্ৰ পুত্ৰক বলিদান দিয়া কাৰ্যৰ সোঁৱৰণত এই ঈদ-উজ-জোহা পালন কৰা হয়। এই উৎসৱক ঈদ-অল-আধা বা ঈদ-উল-আজহা বুলিও কোৱা হয়। ঈদ উপলক্ষে ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ মাজত উৎসাহ-উদ্দীপনা বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। ঈদৰ নামাজৰ বাবে ঈদগাহসমূহ সজাই পৰাই তোলা হৈছে। সমাজত ভাতৃত্ববোধ আৰু বিশ্ব শান্তিৰ বাবে আজি পুৱা ঈদৰ নামাজ পঢ়া হ'ব। দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ ২০০ ৰো অধিক ঈদগাহত প্ৰায় ৪ লাখ লোকে ঈদৰ সমূহীয়া নামাজ পঢ়িব। ঈদৰ সময়ত কোনো ঠাইতে যাতে অপ্ৰীতিকৰ পৰিবেশৰ সৃষ্টি নহয় তাৰ বাবে জিলা প্ৰশাসনে ঈদ উদযাপন সমিতি আৰু আৰক্ষীৰ সৈতে এখন বৈঠকত মিলিত হয়। বিভিন্ন ঠাইৰ পৰা আহি কৰ্মসংস্থাপনৰ বাবে মহানগৰীত বসবাস কৰা বহুসংখ্যক লোকে ঈদ উপলক্ষে নিজ নিজ গৃহ চহৰলৈ যাত্ৰা কৰাৰ পৰিপ্ৰেক্ষিতত মহানগৰীৰ জালুকবাৰী, আদাবাৰী, আই এছ বি টিকে ধৰি বিভিন্ন স্থানত কালি যথেষ্ট ভিৰ পৰিলক্ষিত হয়।

ঈদ-উজ-জোহা উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দেশৰ ইছলাম ধৰ্মাৱলম্বী লোকসকলক শুভেচ্ছা জনাইছে। এটা বাৰ্তাত শ্ৰীমতী মুৰ্মুৱে কয়, যে এই উৎসৱ ত্যাগ, বিশ্বাস আৰু মানৱীয় প্ৰমুল্যবোধৰ প্ৰতীক। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশবাসীলৈ ঈদৰ শুভেচ্ছা জ্ঞাপন কৰি কয়, যে এই উৎসৱে সমাজত একতা, সম্প্ৰীতি আৰু ভাতৃত্ববোধৰ বাৰ্তা বিলায়।

লোকসভাৰ অধ্যক্ষ ওম বিৰলায়ো ঈদ-উজ-জোহা উপলক্ষে দেশবাসীক শুভেচ্ছা জ্ঞাপন কৰিছে। তেওঁ কয়, যে এই উৎসৱে জনসাধাৰণৰ মাজত আনন্দ, সমৃদ্ধি কঢ়িয়াই অনাৰ লগতে সমাজত ইতিবাচক প্ৰভাব পেলাব।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই পৱিত্ৰ ঈদ-উজ্-জোহা উপলক্ষে সমূহ ইছলামধৰ্মী লোকৰ লগতে অসমবাসীলৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছে।

০০০০০০

ৰাজ্যত অহা ১০ অক্টোবৰত পুনৰ বৃহৎ নিযুক্তি সমাবেশ অনুষ্ঠিত হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি ফে'চবুক লাইভযোগে জনায়, যে খানাপাৰাৰ অসম পশু চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত হ'বলগীয়া এই নিযুক্তি মেলাত ৰাজ্য চৰকাৰে স্নাতকোত্তৰ শিক্ষক, স্বাস্থ্য বিভাগ, অসম আৰক্ষী, এ ডি আৰ ই পৰীক্ষাত উত্তীৰ্ণ সকলো প্ৰাৰ্থীকে একেলগে নিযুক্তিপত্ৰ প্ৰদান কৰা হ'ব। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে কয়, যে অহা ১০ জুনত এ ডি আৰ ইৰ তৃতীয় বৰ্গৰ মৌখিক পৰীক্ষা অনুষ্ঠিত হ'ব। তৃতীয় বৰ্গৰ এই প্ৰাৰ্থীসকলে কম্পিউটাৰ, ষ্টেনোগ্ৰাফাৰ, গাড়ীচালক পদৰ বাবে নিৰ্ধাৰিত পৰীক্ষা দিব লাগিব। আনহাতে, চতুৰ্থ বৰ্গৰ প্ৰাৰ্থীসকলেও মৌখিক পৰীক্ষাত অৱতীৰ্ণ হ'ব লাগিব।

-বাইট-

তৃতীয় আৰু চতুৰ্থ বৰ্গৰ কৰ্মচাৰীৰ পাৰস্পৰিক বুজাবুজিৰে আজি যৌথ বদলিৰ আদেশপত্ৰ বিতৰণ কৰা হ'ব। দিছপুৰৰ লোকসেৱা ভৱনত বিয়লি অনুষ্ঠিত হ'বলগীয়া এই অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথিৰূপে উপস্থিত থাকিব। এই পাৰস্পৰিক বদলি প্ৰক্ৰিয়াৰ জৰিয়তে ৯ হাজাৰ ৪০০ গৰাকী কৰ্মচাৰী উপকৃত হ'ব। তদুপৰি আজি মুখ্যমন্ত্ৰীৰ জীৱন অনুপ্ৰেৰণা আঁচনিৰ পৰ্টেলৰ উদ্বোধন কৰা হ'ব। গৱেষক ছাত্ৰ-ছাত্ৰীৰ উদ্ভাৱনী যাত্ৰাত অনুপ্ৰেৰণা যোগোৱাৰ বাবে আৰ্থিক সাহায্য প্ৰদান, ৰাজ্যত শৈক্ষিক উৎকৰ্ষতা আৰু উদ্ভাৱনৰ প্ৰসাৰ, দিব্যাংগসকলক গৱেষণাৰ ক্ষেত্ৰত উৎসাহিত কৰাই এই আঁচনিখনৰ উদ্দেশ্য। এই আঁচনিৰ জৰিয়তে যিসকল গৱেষকে চৰকাৰী বিশ্ববিদ্যালয়ত গৱেষণা কৰি আছে তেওঁলোকক ২৫ হাজাৰ টকা আৰু দিব্যাংগসকলক ৪০ হাজাৰ টকাৰ এককালীন সাহায্য প্ৰদান কৰা হ'ব।

০০০০০০

ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ ৰে'ল যাত্ৰীসকলৰ সুবিধা হোৱাকৈ গুৱাহাটী আৰু উত্তৰ লখিমপুৰৰ মাজত প্ৰৱৰ্তন কৰা দ্বিসাপ্তাহিক জনশতাব্দী এক্সপ্ৰেছ ৰে'লগাড়ীখন সপ্তাহত ৬ দিনকৈ চলাবলৈ অসম ৰে'ল যাত্ৰী সন্থাই আহ্বান জনাইছে। উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ মুখ্য যাত্ৰী পৰিবহন প্ৰবন্ধকলৈ লিখা এখন পত্ৰত ৰে'ল যাত্ৰী সংগঠনটোৱে গুৱাহাটী আৰু উত্তৰ লখিমপুৰৰ মাজত এই জনশতাব্দী এক্সপ্ৰেছ প্ৰৱৰ্তনৰ বাবে ৰে'ল কৰ্তৃপক্ষৰ শলাগ লয়। সংগঠনটোৱে ৰে'ল গাড়ীখনৰ যথাযোগ্য ব্যৱহাৰৰ বাবে ইয়াক দৈনিক নহ'লেও অন্ততঃ সপ্তাহত ছদিনকৈ চলাচল কৰালে সমগ্ৰ উত্তৰপৰীয়া ৰাইজ উপকৃত হ'ব বুলি পত্ৰখনত উল্লেখ কৰে। সংগঠনটোৱে এই ৰে'লগাড়ীখনৰ উত্তৰ লখিমপুৰৰ পৰা কৰা যাত্ৰাৰ সময় আগুৱাই দিবলৈ আৰু গুৱাহাটীত উপস্থিত হোৱাৰ সময় মাজনিশা ১১ বাজি ২৫ মিনিটৰ পৰিৱৰ্তে সন্ধিয়া ৭ বজা কৰিবলৈকো এন এফ ৰে'লৱে কৰ্তৃপক্ষক আহ্বান জনায়।

০০০০০০

কেন্দ্ৰত শাসনাধিস্থিতিত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন এন ডি এ চৰকাৰে ১১ বছৰ সম্পূৰ্ণ কৰাৰ দিশে অগ্ৰসৰ হৈছে। সেৱা, সুশাসন আৰু গৰীব কল্যাণৰ লক্ষ্যৰে অনুপ্ৰাণিত হৈ ভাৰতে বিগত দশকত উল্লেখনীয় ৰূপান্তৰ সাধন কৰিছে। আকাশবাণীৰ বাতৰি বিভাগৰ দ্বাৰা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে যোৱা ১১ টা বছৰত গ্ৰহণ কৰা পদক্ষেপ সন্দৰ্ভত আলোকপাত কৰিবলৈ প্ৰয়াস কৰা হৈছে।

আজি পৰিবেশ সংৰক্ষণ আৰু উন্নয়ন সন্দৰ্ভত এয়া আমাৰ বিশেষ প্ৰতিবেদন ঃ

বাইট

০০০০০০

গীতিকবি, নাট্যকাৰ পাৰ্বতী প্ৰসাদ বৰুৱাৰ মৃত্য বাৰ্ষিকী উপলক্ষে সাংস্কৃতিক সঞ্চালকালয়ৰ উদ্যোগত আজি **জোনাকী মেল** শীৰ্ষক এখন সাংস্কৃতিক সন্ধিয়াৰ আয়োজন কৰা হৈছে। গুৱাহাটীৰ পাঞ্জাবাৰীত থকা শিল্পগ্ৰাম প্ৰেক্ষাগৃহত সন্ধিয়া পাঁচ বজাত হ'বলগীয়া এই অনুষ্ঠান লুইত কোঁৱৰ ৰুদ্ৰ বৰুৱা ৰাজ্যিক সংগীত মহাবিদ্যালয় আৰু পাৰ্বতী প্ৰসাদ বৰুৱা সোঁৱৰণ ন্যাসৰ সহযোগত আয়োজন কৰা হৈছে। কবি, গীতিকাৰ, চলচ্চিত্ৰ নিৰ্মাতা আৰু নাট্যকাৰ পাৰ্বতী প্ৰসাদ বৰুৱা গীতিকবি ৰূপে পৰিচিত। তেওঁ ৰচনা কৰা গীতসমূহ অসমীয়া গীতি সাহিত্যৰ অনুপম সম্পদ। ১৯০৪ চনত শিৱসাগৰত জন্মগ্ৰহণ কৰা গীতিকবিজনাৰ ১৯৬৪ চনৰ আজিৰ দিনটোতে মৃত্যু হৈছিল।

*(গীত)*

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ আজি নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত আকাশবাণীৰ বাতৰি কক্ষৰ বাহিৰতো এটা নিজস্ব পৰিচয় দাঙি ধৰিবলৈ সমৰ্থ হোৱা কেইগৰাকীমান বাতৰি পঢ়োতাৰ সৈতে অন্তৰংগ আলাপ প্ৰচাৰ কৰা হ'ব। আকাশবাণী বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ সৈতে এই অনুষ্ঠানত অন্তৰংগ আলাপত ভাগ ল'ব আকাশবাণী গুৱাহাটীৰ তিনিগৰাকী বাতৰি পৰিৱেশকে।

০০০০০০

ফ্ৰেন্স অ'পেন টেনিছ প্ৰতিযোগীতাত আজি সন্ধিয়া মহিলাৰ একক শাখাৰ বিজয়ী খিতাপ দখলৰ বাবে আৰিনা ছাবালেংকাই কোকো গ'ফৰ বিৰুদ্ধে খেলিব। বেলাৰুছৰ ছাবালেংকাই পোলেণ্ডৰ খেলুৱৈ তথা বিশ্বৰ পঞ্চম স্থানত থকা খেলুৱৈ ইগা শুইটেকক ৭-৬, ৪-৬, ৬-০ চেটত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে। আমেৰিকাৰ খেলুৱৈ গ'ফে ছেমিফাইনেলত ফ্ৰান্সৰ অছিড ল'ইছ বয়ছনক ৬-১, ৬-২ চেটত পৰাস্ত কৰে। পুৰুষৰ একক শাখাত বিশ্বৰ ১ নম্বৰ স্থানত থকা জানিক ছিনাৰে দুই নম্বৰ স্থানত থকা খেলুৱৈ কাৰ্লোছ আলকাৰাজৰ বিৰুদ্ধে খেলিব। ইটালীৰ ছিনাৰে ছাৰ্বিয়াৰ ন'ভাক জ'কভিচক ৬-৪, ৭-৫, ৭-৬ চেটত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে।

০০০০০০

NP REVIEW

ৰাজ্য চৰকাৰে গুৱাহাটীৰ খানাপাৰা খেলপথাৰত ১০ অক্টোবৰত শিক্ষা, স্বাস্থ্য, অসম আৰক্ষী বিভাগ আৰু এ.ডি.আৰ.ই. পৰীক্ষাত উত্তীৰ্ণসকলক নিযুক্তি পত্ৰ বিতৰণ কৰা হব বুলি কালি ফেচবুক লাইভযোগে ঘোষণা কৰিছে। নতুন নিযুক্তি, নিযুত মইনা আঁচনি, চতুৰ্থ বৰ্গৰ মৌখিক

পৰীক্ষাকে ধৰি আন কেবাটাও বিষয় সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে কৰা ঘোষণাসমূহক লৈ নিয়মীয়া বাৰ্তা কাকতে **‘ফেচবুক লাইভযোগে মুখ্যমন্ত্ৰীৰ ঘোষণা, ১০ অক্টোবৰত ৰাজ্য চৰকাৰৰ মেগা নিযুক্তি’** শিৰোনামেৰে এটা বাতৰি মুখ্যপৃষ্ঠাত প্ৰকাশ কৰিছে। এটা ৰহস্যজনক পথ দূৰ্ঘটনাত গোলাঘাটৰ নম্ৰতা বৰাৰ মেঘালয়ত মৃত্যু হোৱাৰ ঘটনাক কেন্দ্ৰ কৰি চাঞ্চল্য অব্যাহত আছে। এই ঘটনাৰ তদন্তৰ দাবীত কেবাটাও জাতীয় সংগঠনৰ বোকাখাট আঞ্চলিক শাখাই মুখ্যমন্ত্ৰীলৈ পত্ৰ প্ৰেৰণ কৰাৰ লগতে নম্ৰতাৰ পিতৃয়েও চিবিআই তদন্তৰ দাবী কৰিছে। এই বাতৰিটোৱে **আমাৰ অসম, THE TIMES OF INDIA, THE SENTINAL** কাকতত প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি জম্মু-কাশ্মীৰত চেনাব নদীৰ ওপৰত নিৰ্মিত বিশ্বৰ সৰ্বোচ্চ ৰে'লৱে দলঙৰ লগতে মুঠ ৪৬ হাজাৰ কোটিটকীয়া কেবাটাও প্ৰকল্পৰ উন্মোচন আৰু শিলান্যাস কৰা বাতৰিটো অনান্য কাকতসমূহৰ লগতে **অসমীয়া প্ৰতিদিন, দৈনিক জনমভূমি আৰু দৈনিক অসম কাকতে**ও প্ৰথম পৃষ্ঠাত পৰিৱেশন কৰিছে। ৰাজ্যত শেহতীয়াকৈ সামান্য উন্নত হোৱা বান পৰিস্থিতি সম্পৰ্কীয় এটা বাতৰিক **দ্যা আচাম ট্ৰিব্ৰিউন কাকতে** মুখ্য বাতৰি হিচাপে পৰিৱেশন কৰিছে। অসম আৰু মেঘালয় চৰকাৰৰ শেহতীয়া বৈঠকত কুলশী নৈত জলবিদ্যুত প্ৰকল্প স্থাপনৰ সিদ্ধান্তক ৰাভা সংগঠনসমূহে বিৰোধীতা কৰাৰ এটা বাতৰি **দৈনিক অগ্ৰদূত** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৪ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২৫ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত